**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-APR-2026
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১।  বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি ৫ বজাত সামৰণি।

২।  নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিনা ৰাজ্যৰ বিভিন্ন সমষ্টিত শাসক-বিৰোধীৰ তাৰকা প্ৰচাৰকৰ অংশগ্ৰহণ।

৩।  বিধানসভা নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসনসমূহৰ প্ৰস্তুতি সম্পূৰ্ণ।

৪।  আজি বিশ্ব স্বাস্থ্য দিৱস।  **আৰু**

৫।  আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীত মুম্বাই ইণ্ডিয়ানছ ৰাজস্থান ৰয়েলছৰ মুখামুখি।

oooooo

অসম বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান আজি বিয়লি ৫ বজাত সামৰণি পৰিব। ভোটগ্ৰহণ শেষ হোৱাৰ ৪৮ ঘণ্টা পূৰ্বে কাৰ্যকৰী হোৱা এই নিষেধাজ্ঞা ১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ১২৬ নম্বৰ ধাৰা অনুসৰি জাৰি কৰা হৈছে। এই সময়ছোৱাত ৰাজহুৱা সভা, শোভাযাত্ৰা, ইলেকট্ৰনিক অথবা সামাজিক মাধ্যমৰ জৰিয়তে কৰা প্ৰচাৰকে ধৰি সকলো ধৰণৰ নিৰ্বাচনী প্ৰচাৰ সম্পূৰ্ণভাৱে নিষিদ্ধ থাকিব। নিৰ্বাচন আয়োগে ইলেকট্ৰনিক মাধ্যমত মতামত, সমীক্ষা আৰু জৰীপৰ ফলাফলকে ধৰি নিৰ্বাচন সম্পৰ্কীয় বিষয়বস্তু প্ৰদৰ্শন কৰাতো বাধা আৰোপ কৰিছে। অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে সকলো প্ৰাৰ্থী, ৰাজনৈতিক দল আৰু সংবাদ মাধ্যমক এই নীতি নিৰ্দেশনা কঠোৰভাৱে মানি চলিবলৈ আহ্বান জনাইছে। নিৰ্বাচন আয়োগে ৯ এপ্ৰিলৰ দিনা ৰাজ্যখনৰ সকলো জনসাধাৰণকে নিৰ্ভয়ে ভোটদান কৰি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

oooooo

বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যজুৰি আজি বিয়লি ৫ বজাৰ পৰা ৯ এপ্ৰিলৰ বিয়লি ৫ বজালৈ সম্পূৰ্ণৰূপে সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। জিলা প্ৰশাসনসমূহে এই সময়ছোৱাত সুৰাপান আৰু বিক্ৰী তথা মজুতকৰণ নিষিদ্ধ কৰিছে। তদুপৰি ৪ মে'ৰ ভোটগণনা দিনাও ভোটগণনা সম্পূৰ্ণ নোহোৱা পৰ্যন্ত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। এই সময়ছোৱাত কোনো লোকে ব্যক্তিগতভাৱে সুৰা মজুত কৰি ৰাখিলে ১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ধাৰা অনুসৰি কঠোৰ ব্যৱস্থা লোৱা হ'ব।

oooooo

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহে নিজ নিজ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলোৱাৰ বাবে তৎপৰ হৈ পৰিছে। নিৰ্বাচনী প্ৰচাৰৰ সামৰণিৰ দিনা আজি জ্যেষ্ঠ বিজেপি নেতা অমিত শ্বাহে বৰাকত তিনিখন নিৰ্বাচনী সভাত অংশ ল'ব। তেওঁ পাথাৰকান্দি আৰু হাইলাকান্দি বিধানসভা সমষ্টিৰ দুখন নিৰ্বাচনী সভাৰ লগতে শিলচৰৰ পুলিচ পেৰেড গ্ৰাউণ্ডত আন এখন সভাত অংশ ল'ব। বিজেপি নেত্ৰী তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীয়েও আজি অসমত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি ডিমৌৰ বালি খেল পথাৰত দলীয় প্ৰাৰ্থী সুশান্ত বৰগোহাঁইৰ হৈ প্ৰচাৰ চলাব। ডং শৰ্মাই কাকজান ক্ৰীড়া সন্থাৰ খেল পথাৰত দুপৰীয়া আয়োজিত নিৰ্বাচনী প্ৰচাৰ সভাত অসম গণ পৰিষদ দলৰ তথা এন ডি এ সমৰ্থিত প্ৰাৰ্থী বিকাশ শইকীয়াৰ হৈ প্ৰচাৰ চলাব। তিতাবৰৰ ৰাজীৱ

গান্ধী ক্ৰীড়া প্ৰকল্পত আয়োজিত আন এখন নিৰ্বাচনী প্ৰচাৰ সভাত দলীয় প্ৰাৰ্থী ধীৰাজ গোৱালাৰ হৈ মুখ্যমন্ত্ৰীয়ে প্ৰচাৰ চলাব। বিয়লিৰ ভাগত দেৰগাঁও বিধানসভা সমষ্টিৰ প্ৰাৰ্থী মৃদুল কুমাৰ দত্তৰ হৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই বৰজান বাগান খেল পথাৰত আয়োজিত আন এখন নিৰ্বাচনী সভাত অংশ ল'ব।

ইপিনে, দিছপুৰ বিধানসভা সমষ্টিৰ ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ মনোনীত আৰু মিত্ৰজোঁটৰ সমৰ্থিত প্ৰাৰ্থী মীৰা বৰঠাকুৰৰ হৈ আজি কংগ্ৰেছ নেতা কানহাইয়া কুমাৰে প্ৰচাৰ চলাব। গুৱাহাটীৰ মানৱেন্দ্ৰ শৰ্মা চৌহদৰ পৰা এই উদ্দেশ্যে এটা ৰোড শ্ব' উলিওৱা হ'ব।

বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি কালি কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই বৰাকৰ দুখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়। সভাত দিয়া ভাষণত শ্ৰীখাৰ্গেই শাসনাধিষ্ঠিত বিজেপি চৰকাৰৰ কাম-কাজৰ সমালোচনা কৰে।

**বাইট (খাৰ্গে)**

জিলাখনৰ বৰখলা বিধানসভা সমষ্টিৰ দলুত আয়োজিত নিৰ্বাচনী জনসভাত শ্ৰীখাৰ্গেৰ সৈতে জিতেন্দ্ৰ সিঙো উপস্থিত থাকে। দলৰ নেতা গৌৰৱ গগৈ আৰু দেৱব্ৰত শইকীয়াইও কালি কেইবাঠাইতো দলীয় প্ৰাৰ্থীৰ হৈ ব্যাপক প্ৰচাৰ চলায়। শ্ৰীগগৈয়ে লখিমপুৰ সমষ্টিৰ বগীনদী উন্নয়ন খণ্ডত দলীয় প্ৰাৰ্থী ঘন বুঢ়াগোহাঁইৰ হৈ প্ৰচাৰ চলায়। তেওঁ ধেমাজিত কংগ্ৰেছৰ প্ৰাৰ্থী শৈলেন সোণোৱালৰ হৈও প্ৰচাৰ সভাত অংশ লয়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ৰাজ্যৰ তিনিটা স্থানত প্ৰচাৰ চলায়। সভাত দিয়া ভাষণত তেওঁ দেশক বিকশিত আৰু আত্মনিৰ্ভৰ কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আলোকপাত কৰে। শ্ৰীমোদীয়ে কয় যে, বিগত ১০ বছৰত অসমত শান্তি আৰু উন্নয়নৰ পৰিৱেশে বিৰাজ কৰিছে।

**বাইট (মোদী)**

কাছাৰ জিলাত কালি তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী ছাহজাহান লস্কৰৰ হৈ পশ্চিমবংগৰ বহ্ৰমপুৰ লোকসভাৰ সাংসদ ইউছুফ পাঠানে প্ৰচাৰ চলায়। বাক্সা জিলাৰ মানাহ বিধানসভা সমষ্টিত কালি ৰাইজৰ দলৰ প্ৰাৰ্থী অঞ্জন তালুকদাৰে প্ৰচাৰ চলায়। কংগ্ৰেছ প্ৰাৰ্থী জাকাৰিয়া আহমেদে কালি শ্ৰীভূমি জিলাৰ ঠাকুৰ দিঘিৰ বজাৰত নিৰ্বাচনী সভাত অংশ লয়। তামুলপুৰ জিলাত কালি ইউ পি পি এলৰ এটা সমদল উলিওৱা হয়। ৰাজ্যিক বিজেপিৰ সম্পাদক ৰবীন্দ্ৰ ৰাজু আৰু কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই যোৰহাট সমষ্টিৰ প্ৰাৰ্থী হিতেন্দ্ৰ নাথ গোস্বামীৰ হৈ প্ৰচাৰ চলায়। ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ সমষ্টিৰ প্ৰাৰ্থী অখিল গগৈয়ে শিৱসাগৰৰ পাণবেচাত এখন জনসভাত অংশ লৈ প্ৰচাৰ চলায়। মাজুলী সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী ড° ইন্দ্ৰনীল পেগুৱে কালি জেংৰাইমুখৰ নিজা বাসগৃহত বিধানসভা নিৰ্বাচন সন্দৰ্ভত এখন ৮ দফীয়া প্ৰতিজ্ঞাপত্ৰ মুকলি কৰে।

তামুলপুৰ সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী বিশ্বজিৎ দৈমাৰীৰ সমৰ্থনত কালি বিটিচিৰ মুৰববী হাগ্ৰামা মহিলাৰীয়ে প্ৰচাৰ চলায়।

০০০০০০

বিধানসভা নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসনসমূহে ব্যাপক প্ৰস্তুতি অব্যাহত ৰাখিছে। **কাৰ্বি আংলং** জিলাৰ ডিফুত কালি নিৰ্বাচনৰ বিশেষ পৰ্যবেক্ষক মনজিৎ সিং আৰু ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলে জিলাখনৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি পৰ্যালোচনা কৰে। পৰ্যালোচনা বৈঠকত ভোটগ্ৰহণত নিয়োজিত কৰ্মচাৰীসকলৰ প্ৰশিক্ষণ, পৰিবহণ ব্যৱস্থা, আইন শৃংখলা, আহাৰ ব্যৱস্থাপনা আৰু অন্যান্য দিশসমূহৰ বুজ লোৱা হয়। জিলাখনৰ আৰক্ষী প্ৰশাসনৰ উদ্যোগত কালি ডিফু কাচা ষ্টেডিয়ামৰ পৰা ডিফু বজাৰৰ মাজেৰে ডিফু জিলা আয়ুক্ত কাৰ্যালয়লৈ পদযাত্ৰা উলিওৱা হয়। জ্যেষ্ঠ আৰক্ষী অধীক্ষক পুষ্পৰাজ সিঙৰ নেতৃত্বত উলিওৱা এই কাৰ্যসূচীত জিলা আয়ুক্ত আৰণ্যক শইকীয়াই অংশগ্ৰহণ কৰি ভোটদাতাসকলক ৯ এপ্ৰিলৰ দিনা নিৰ্ভীকভাৱে ভোটদান কৰিবলৈ আহ্বান জনায়।

**ডিব্ৰুগড়**ৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া বিক্ৰম কৈৰীয়ে কালি বকুলৰ ডিব্ৰুগড় পলিটেকনিকত জিলাখনৰ ৬টা বিধানসভা সমষ্টিৰ বাবে স্থাপন কৰা ষ্ট্ৰংৰুম পৰিদৰ্শন কৰে। তেওঁ ভোটদানৰ দিনটোৰ বাবে নিৰাপত্তা ব্যৱস্থাৰ লগতে আন দিশসমূহৰো বুজ লয়।

**যোৰহাট** জিলাত কালি আয়ুক্ত জয় শিৱানীয়ে স্থানীয় কাছাৰীমৈদাম পৰিদৰ্শন কৰি নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। তেওঁ নিৰ্বাচনৰ কাম-কাজৰ ক্ষেত্ৰত যান-বাহনৰ সু-ব্যৱস্থাৰ বাবে পৰিবহণ কোষৰ কাম-কাজ পৰ্যালোচনা কৰে। তেওঁ ৰিটাৰ্ণিং বিষয়া, চক্ৰ বিষয়া আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মত বিনিময় কৰে।

**শ্ৰীভূমি** জিলা প্ৰশাসনেও ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। জিলা আয়ুক্ত তথা জিলা নিৰ্বাচন বিষয়াই কাইলৈ কৰিমগঞ্জ কলেজ খেলপথাৰত ভোটগ্ৰহণৰ বাবে নিয়োজিত কৰ্মীসকলক পুৱা ৮ বজাৰ সলনি পুৱা ৬ বজাত উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়ে।

**কামৰূপ** জিলা প্ৰশাসনে ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সমাপন কৰাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। আয়ুক্ত দেৱকুমাৰ মিশ্ৰই কালি জিলাখনৰ ৬টা বিধানসভা সমষ্টিৰ বাবে মুঠ এহেজাৰ ৫৫৫টা ভোটগ্ৰহণ কেন্দ্ৰ সাজু কৰা হৈছে বুলি প্ৰকাশ কৰে। ইয়াৰে ৩০০টা ভোটগ্ৰহণ কেন্দ্ৰ সম্পূৰ্ণ মহিলাৰ দ্বাৰা আৰু ১৫টা ভোটগ্ৰহণ কেন্দ্ৰ বিশেষভাৱে সক্ষম ব্যক্তিৰ দ্বাৰা পৰিচালিত কৰা হ'ব বুলি তেওঁ জনায়। তদুপৰি জিলাখনৰ সীমাৱৰ্তী আৰু স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহ আগতীয়াকৈ সাজু কৰা হৈছে।

oooooo

আজি বিশ্ব স্বাস্থ্য দিৱস। প্ৰতিবছৰে ৭ এপ্ৰিলৰ দিনটো বিশ্ব স্বাস্থ্য সংস্থাই বিশ্ব স্বাস্থ্য দিৱসৰূপে পালন কৰি আহিছে। এইবছৰ এই দিৱসৰ মূল বাণী হৈছে TOGETHER FOR HEALTH- STAND WITH SCIENCE। বছৰজুৰি চলিবলগীয়া এই দিৱসৰ কাৰ্যসূচীত জনস্বাস্থ্যৰ লগতে জীৱজন্তু, গছ-গছনি, পৰিৱেশ তন্ত্ৰকে ধৰি সকলোৰে সুস্বাস্থ্যৰ বাবে সজাগতা সৃষ্টিৰ লগতে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হ'ব।

oooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ ৰাজস্থান ৰয়েলছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। বৰ্তমান ৰাজস্থান ৰয়েলছ পইণ্ট তালিকাৰ তৃতীয় স্থানত থকাৰ বিপৰীতে মুম্বাই ইণ্ডিয়ানছ ষষ্ঠ স্থানত আছে।

ইফালে, কলকাতাৰ ইডেন গাৰ্ডেনচত কলকাতা নাইট ৰাইডাৰ্ছ আৰু পঞ্জাব কিংছৰ মাজত কালি নিশা অনুষ্ঠিত খেলখন বৰষুণৰ বাবে আধাতে সামৰিবলগীয়া হয়। টছত জয়ী হোৱাৰ পিছত প্ৰথমে বেট ধৰা কলকাতা নাইট ৰাইডাৰ্ছে বৰষুণ অহাৰ পূৰ্বে মাত্ৰ ৩ অভাৰ আৰু ৪টা বলত দুটা উইকেট হেৰুৱাই ২৫ ৰান সংগ্ৰহ কৰিছিল। পঞ্জাব কিংছৰ পেচাৰ জেভিয়াৰ বাৰ্টলেটে দ্বিতীয় অভাৰত ফিন এলেন আৰু কেমেৰন গ্ৰীণক আউট কৰে। প্ৰতিকুল বতৰৰ পৰিপ্ৰেক্ষিতত কোনো ফলাফল নোলোৱাত দুয়োটা দলক এটাকৈ পইণ্ট ভগাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আজিংক্য ৰাহানে নেতৃত্বাধীন কলকাতা নাইট ৰাইডাৰ্ছৰ বাবে এইটোৱেই প্ৰথম পইণ্ট হোৱাৰ বিপৰীতে শ্ৰেয়াছ আয়াৰ নেতৃত্বাধীন পঞ্জাব কিংছে পইণ্ট তালিকাৰ শীৰ্ষত অৱস্থানেৰে দুখনত জয় আৰু এখনত অমীমাংসিত ফলাফলৰ সৈতে বৰ্তমানলৈ অপৰাজিত হৈ আছে।

oooooo

অসম বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত নিৰ্বাচনকেন্দ্ৰিক বিভিন্ন বা বাতৰিয়ে শিৰোনাম দখল কৰিছে। কংগ্ৰেছ নেতা পৱন খেৰাই উত্থাপন কৰা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু ৰুণিকি ভূঞা শৰ্মাৰ বিৰুদ্ধে অবৈধ পাছপৰ্ট আৰু সম্পত্তিৰ তথ্য লুকুওৱাৰ অভিযোগক নস্যাত কৰি কালি সংবাদমেলত স্পষ্টীকৰণ দিয়া বাতৰিটো আটাইকেইখন কাকতৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰা হৈছে। **আমাৰ অসম, অসমীয়া খবৰ, নিয়মীয়া বাৰ্তা,**

**দৈনিক অসম আদি কাকতে** এই বাতৰিটোক ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত ৰিৱেশন কৰিছে। বৰপেটাৰোড, হোজাই আৰু মৰাণত কালিল দেশৰ প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে তিনিখন বিশাল জনসভা সম্বোধন কৰি বিৰোধীক চোকা সমালোচনা কৰা বাতৰিটোক **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দি চেন্টিনেল আৰ দি আচাম টিব্ৰিউন** কাকততো প্ৰধানমন্ত্ৰীৰ জনসভাৰ বাতৰিটোৱে ঘাই বাতৰিৰ স্থান দখল কৰিছে। মুখ্যমন্ত্ৰী আৰু ৰিণিকি ভূঞা শৰ্মাই কংগ্ৰেছৰ সকলো অভিযোগক কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে জালিয়াতি কৰা বুলি নস্যাত কৰিছে যদিও কংগ্ৰেছে দেশৰ নিৰ্বাচন আয়োগ আৰু বিধি বলবৎকাৰী সংস্থাক অভিযোগ দাখিল কৰিছে। **দৈনিক অগ্ৰদূত** আৰু আমাৰ অসম কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ বিৰুদ্ধে ৰাইজৰ দলে উত্থাপন কৰা লুণ্ঠনৰ অভিযোগৰ এটা বাতৰিক প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম, **ৰাইজৰ দলৰ বিস্ফোৰণ, AIUDF বিধায়েকেৰে মিলি দিলীপ শইকীয়াৰ ভয়াৱহ লুণ্ঠন, বিজেপিৰ তদন্ত প্ৰতিবেদনত পৃষ্ঠাই পৃষ্ঠাই উন্মোচিত বৃহত কেলেংকাৰী**। এতিয়া আহক পুনৰ ওভতি যাঁও।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনি অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৩ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল, নাগালেণ্ড আৰু মণিপুৰৰ কোনো কোনো অংশত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অৰুণাচল প্ৰদেশ, মিজোৰাম, আৰু ত্ৰিপুৰাৰ কিছু কিছু অঞ্চলত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**